# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 01-SEP-2025
**Time :** 1845 Hrs

***Assamese Evening Bulletin***
***Headlines***
***--------------------***

১। চৰকাৰী অনুদানৰ ধন অৰ্থনৈতিক উন্নয়নত বিনিয়োগ কৰিবলৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ পৰামৰ্শ। পাথাৰকান্দিত আত্মসহায়ক গোটৰ সদস্যক ১০ হাজাৰকৈ টকাৰ চেক বিতৰণ।

২। কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ ডিব্ৰুগড়ত তিনিটা প্ৰকল্প উদ্বোধন।

৩। বিটিচি নিৰ্বাচনৰ বাবে হাগ্ৰামা মহিলাৰী, প্ৰমোদ বড়োৰ লগতে বিভিন্ন ৰাজনৈতিক দলৰ কেইবাগৰাকীও প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ দাখিল।

৪। ভৌগোলিক প্ৰত্যাহ্বান সত্বেও দক্ষিণ শালমাৰা মানকাচৰত আধাতে বিদ্যালয় এৰা শিক্ষাৰ্থীৰ হাৰ হ্ৰাস পোৱা বুলি শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৰ প্ৰকাশ।

**আৰু**

৫। মালয়েছিয়াৰ প্ৰথম বিশ্বকাপ ল'ন বল প্ৰতিযোগিতাৰ ভাৰতীয় দলত অসমৰ নয়নমণি শইকীয়া আৰু পুতুল সোণোৱালৰ স্থান লাভ।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ অধীনত শ্ৰীভূমি জিলাৰ পাথাৰকান্দি বিধানসভা সমষ্টিৰ আত্মসহায়ক গোটৰ ১৫ হাজাৰ ৬৭১ গৰাকী সদস্যক ১০ হাজাৰকৈ টকাৰ চেক আনুষ্ঠানিকভাৱে বিতৰণ কৰে। জিলাখনৰ মুণ্ডামালা খেলপথাৰত আয়োজিত এটা অনুষ্ঠানত অংশ লৈ দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে চৰকাৰী অনুদান হি চাপে লাভ কৰা ধন অপচয় কাৰাৰ পৰিৱৰ্তে অৰ্থনৈতিক উন্নয়নত বিনিয়োগ কৰিবলৈ পৰামৰ্শ দিয়ে। তেওঁ কয়, যে চৰকাৰে এই পুঁজিৰ ব্যৱহাৰ সন্দৰ্ভত সমীক্ষা চলাব আৰু ধনৰ সঠিক ব্যৱহাৰ কৰা মহিলাই পুনৰ ২৫ হাজাৰ টকা লাভ কৰিব। এই ২৫ হাজাৰ টকা ১২ হাজাৰ ৫০০ টকা ৰাজ্য চৰকাৰে আৰু ১২ হাজাৰ ৫০০ টকা বেংকে প্ৰদান কৰিব। এই পুঁজিৰো সঠিক ব্যৱহাৰ কৰিলে মহিলাসকলে পৰৱৰ্তী পৰ্যায়ত ৫০ হাজাৰ টকাকৈ লাভ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে এনেদৰে মুঠ তিনিটা পৰ্যায়ত আত্মসহায়ক গোটৰ মহিলাসকলে ৮৫ হাজাৰ টকা লাভ কৰিব।

*(বাইট - মুখ্যমন্ত্ৰী)*

১৭ ছেপ্তেম্বৰত সকলো নতুন আৰু পুৰণি অৰুণোদয় হিতাধিকাৰীয়ে ধন লাভ কৰিব বুলি তেওঁ উল্লেখ কৰে। এই আঁচনিৰ জৰিয়তে মহিলাসকলে এহেজাৰ ২৫০ টকা লাভ কৰাৰ উপৰি ৰন্ধন গেছৰ চিলিণ্ডাৰ ক্ৰয়ৰ বাবদ ২৫০ টকাকৈ লাভ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে কয়। তদুপৰি অহা এক নৱেম্বৰৰ পৰা ৰেচন কাৰ্ডত চাউলৰ লগতে চেনী, ডালি আৰু নিমখ কম মূল্যত লাভ কৰিব পৰা যাব বুলি মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে। আজিৰ অনুষ্ঠানত মন্ত্ৰী কৃষ্ণেন্দু পাল, কৌশিক ৰায়, সাংসদ কৃপানাথ মল্লাৰ লগতে কেইবাগৰাকীও নেতা উপস্থিত থাকে।

০০০০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ডিব্ৰুগড়ত তিনিটা প্ৰকল্প উদ্বোধন কৰে। শ্ৰী সোণোৱালে সাংসদ স্থানীয় এলেকা উন্নয়ন পুঁজিৰ অধীনত শৰীৰ চৰ্চা কেন্দ্ৰ, খোৱাপানী প্ৰকল্প আৰু ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ ড০ যোগীৰাজ বসু বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যা ভৱন উদ্বোধন কৰে। এই উপলক্ষে দিয়া ভাষণত শ্ৰী সোণোৱালে কয়, যে এই প্ৰকল্পসমূহে শিক্ষানুষ্ঠানখনৰ বিদ্যায়তনিক দিশৰ উৎকৰ্ষ সাধনৰ লগতে ছাত্ৰ-ছাত্ৰীসকলক সুস্থ ভাৰত গঢ়াৰ দিশত সক্ৰিয় ভূমিকা পালন কৰিবলৈ অনুপ্ৰাণিত কৰিব। তেওঁ যুৱক-যুৱতীসকলক প্ৰতিভা আৰু পাৰদৰ্শিতাৰে আগবাঢ়ি যাবলৈ আহ্বান জনায়।

***(বাইট ঃ সৰ্বানন্দ)***

এই কাৰ্যসূচীত মন্ত্ৰী প্ৰশান্ত ফুকন, অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ন বৰুৱাৰ লগতে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই গুৱাহাটীত অনুষ্ঠিত সশস্ত্ৰ বাহিনী পতাকা দিৱসৰ পুজি ব্যৱস্থাপনা সমিতিৰ ৪৮ সংখ্যক ৰাজ্যিক বৈঠকত অংশগ্ৰহণ কৰে। প্ৰাক্তন সেনাসকলৰ কল্যাণ আৰু পুনৰ সংস্থাপনৰ বাবে গঠিত এই সমিতিৰ বৈঠকত সেনাৰ জোৱান আৰু তেওঁলোকৰ কল্যাণৰ সৈতে জড়িত বিষয়সমূহ আলোচনা কৰা হয়। বৈঠকত ৰাজ্যপাল গৰাকীয়ে সেনাবাহিনীৰ প্ৰাক্তন জোৱানসকলৰ কল্যাণৰ কামত দায়বদ্ধতা প্ৰদৰ্শন কৰা সকলোকে কৃতজ্ঞতা জ্ঞাপন কৰে। তেওঁ লগতে এই সেনা জোৱানসকলৰ সহায়ৰ বাবে সৰ্বোৎকৃষ্ট সেৱা আগবঢ়োৱাৰ উপৰি নৈতিক মান বৰ্তাই ৰাখিবলৈ আহ্বান জনায়। তেওঁ ডিজিটেল ব্যৱস্থাৰে এই সুবিধাসমূহ প্ৰদান সুচল কৰি তুলিবলৈ আহ্বান জনায়।

০০০০০০

বিটিচি নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলৰ কেইবাগৰাকীও প্ৰাৰ্থীয়ে আজি মনোনয়ন পত্ৰ দাখিল কৰে। চিৰাং জিলাৰ সদৰ কাজলগাঁৱত থকা জিলা আয়ুক্তৰ কাৰ্যালয়ত আজি প্ৰাক্তন মন্ত্ৰী চন্দন ব্ৰহ্ম, বি টি চিৰ উপ-মুখ্য কাৰ্যবাহী সদস্য খাম্পা বৰগয়াৰী আৰু কাৰ্যবাহী সদস্য চাইখং বসুমতাৰীয়ে ইউ পি পি এল দলৰ হৈ মনোনয়ন পত্ৰ দাখিল কৰে। প্ৰাৰ্থীকেইগৰাকীৰ হৈ প্ৰচাৰ চলাই মন্ত্ৰী আৰু দলটোৰ জ্যেষ্ঠ নেতা উৰ্খাও গৌৰা ব্ৰহ্মই ইউ পি পি এল দলে পৰিষদ গঠনৰ বাবে সাজু হৈ আছে বুলি মত প্ৰকাশ কৰি মনোনয়ন পত্ৰ দাখিল কৰা প্ৰাৰ্থীসকলৰ জয় নিশ্চিত বুলিও দাবী কৰে। চিৰাঙত বি পি এফৰ জ্যেষ্ঠ নেতা আৰু সভাপতি হাগ্ৰামা মহিলাৰীয়ে আজি মনোনয়ন পত্ৰ দাখিল কৰে। জিলাখনৰ ৭টা পৰিষদীয় সমষ্টিত আজি ১৫গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। থুৰিবাৰী সমষ্টিত চি পি আই এমৰ শুভংকৰ ঘোষ, ইউ পি পি এলৰ মহম্মদ ৰঞ্জু আহমেদ, অগপৰ পাৰ্থজিৎ ৰয়ৰ লগতে এগৰাকী নিৰ্দলীয় প্ৰাৰ্থী জিয়াউল হক আলীয়ে আজি মনোনয়ন পত্ৰ জমা দিয়ে।

বাক্সা জিলাত নিৰ্দলীয় প্ৰাৰ্থী মনমোহন মদাহীয়ে ককলাবাৰী পৰিষদীয় সমষ্টিৰ পৰা মনোনয়ন পত্ৰ দাখিল কৰে। ইফালে, দিহিৰা পৰিষদীয় সমষ্টিত গণ সুৰক্ষা পাৰ্টীৰ প্ৰাৰ্থী হিচাপে ঘনশ্যাম দাসে বাক্সা জিলাৰ আয়ুক্তৰ ওচৰত মনোনয়ন পত্ৰ দাখিল কৰে। জিলাখনৰ মুছলপুৰ পৰিষদীয় সমষ্টিত ইউ পি পি এলৰ প্ৰাৰ্থী আৰু বি টি আৰৰ কাৰ্যবাহী সদস্য ৰাকেশ ব্ৰহ্মই মনোনয়ন পত্ৰ দাখিল কৰে। তামুলপুৰতো ইউ পি পি এল, বি পি এফ, এ পি বি আৰু কংগ্ৰেছৰ বহুকেইজন প্ৰাৰ্থীয়ে আজি মনোনযন পত্ৰ দাখিল কৰে। ইয়াৰ লগতে বহুকেইগৰাকী নিৰ্দলীয় প্ৰাৰ্থীয়েও মনোনয়ন পত্ৰ দাখিল কৰাৰ বাতৰি আমাৰ সংবাদদাতাই জনাইছে। গয়বাৰী সমষ্টিত ইউ পি পি এলৰ হৈ প্ৰমোদ বড়োৱে মনোনয়ন পত্ৰ দাখিল কৰে। তামুলপুৰৰ ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ত মনোনয়ন পত্ৰ দাখিলৰ পাছত বি টি আৰৰ প্ৰধানগৰাকীয়ে বি টি আৰ অঞ্চলৰ ৩৫ লাখ জনসাধাৰণৰ আশীৰ্বাদ লৈ তেওঁ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিছে বুলি দাবী কৰে। পৰিষদীয় নিৰ্বাচনত দলটোৰ উন্নত ফলাফল নিশ্চিত বুলি দাবী কৰি শ্ৰীবড়োৱে বিগত পাঁচ বছৰত ইউ পি পি এলে ৰাইজৰ সমস্যা বহু পৰিমাণে সমাধান কৰিছে বুলি দৃঢ়তাৰে প্ৰকাশ কৰিছে। বি পি এফ দলৰ প্ৰাৰ্থী জিতেন মুছাহাৰী আৰু কংগ্ৰেছ প্ৰাৰ্থী ৰুমি সিং মুছাহাৰীয়েও আজি সমষ্টিটোত মনোনয়ন পত্ৰ দাখিল কৰে। একেদৰে

নাগ্ৰীজুলি সমষ্টিত ইউ পি পি এলৰ  ৰবীন্দ্ৰ বালা বিশ্বাসে মনোনয়ন পত্ৰ জমা দিয়ে। দৰঙাজুলি সমষ্টিত বি পি এফ আৰু ইউ পি পি এলৰ দুগৰাকী শীৰ্ষ নেতা ইমানুৱেল মুছাহাৰী আৰু জলেন দৈমাৰীয়ে মনোনয়ন পত্ৰ জমা দিয়ে। সমষ্টিটোত এ পি বি দলৰ মনোজ গয়াৰীয়েও মনোনয়ন পত্ৰ দাখিল কৰিছে। একেদৰে চেৰফাং, গোৰেশ্বৰ আদি সমষ্টিসমূহতো ভালেকেইজন বিজেপি, ইউ পি পি এল, বি পি এফ প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছে। নাগ্ৰীজুলি আৰু চেৰফাং সমষ্টিত কাইলৈ বিজেপি প্ৰাৰ্থী ভজন দাস আৰু ৰনেন্দ্ৰ নাৰ্জাৰীয়ে মনোনয়ন পত্ৰ দাখিল কৰিব বুলি আমাৰ তামুলপুৰৰ সংবাদদাতাই জানিবলৈ দিছে।

ওদালগুৰি জিলাত ইউ পি পি এলৰ ৯গৰাকী আৰু বি পি এফৰ ৮গৰাকী প্ৰাৰ্থীয়ে আজি মনোনয়ন পত্ৰ দাখিল কৰে। জিলা নিৰ্বাচনী বিষয়াৰ হাতত মনোনয়ন পত্ৰ দাখিল কৰাৰ সময়ত ইউ পি পি এল দলৰ নেতা ৰণগৌৰা নাৰ্জাৰী আৰু বি পি এফৰ সভাপতি হাগ্ৰামা মহিলাৰী উপস্থিত থাকে। ভৈৰৱকুণ্ড সমষ্টিত ইউ পি পি এলৰ গোবিন্দ চন্দ্ৰ বসুমতাৰী আৰু বি পি এফৰ ৰিহণ দৈমাৰী, ৰৌতা সমষ্টিত বি পি এফৰ চৰণ বড়ো আৰু ইউ পি পি এলৰ ড০ নিলুৎ স্বৰ্গীয়াৰী, খৈৰাবাৰী সমষ্টিত বি পি এফৰ লৌমশ্ৰাও দৈমাৰী আৰু মুদৈবাৰীত বি পি এফৰ জগদীশ সৰকাৰে প্ৰতিদ্বন্দ্বিতা কৰিছে।

বাক্সাতো শালবাৰী আৰু মথনগুৰি পৰিষদীয় সমষ্টিত বি পি এফৰ দুগৰাকী, কংগ্ৰেছৰ এগৰাকী আৰু চি পি আই এমৰ এগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছে। কংগ্ৰেছ দলৰ প্ৰাৰ্থী বুদ্ধদেৱ ফাদাংগিৰিয়ে শালবাৰীত আৰু চি পি এমৰ সত্যজিৎ দাসে মথনগুৰিত মনোনয়ন পত্ৰ দাখিল কৰিছে।

কোকৰাঝাৰত বি পি এফৰ  জ্যেষ্ঠ নেতা ৰবিৰাম নাৰ্জাৰীয়ে আজি মনোনয়ন পত্ৰ জমা দিয়ে।

বি টি চি পৰিষদীয় নিৰ্বাচনৰ বাবে ৰাইজৰ দলে আজি প্ৰাৰ্থীৰ তালিকা ঘোষণা কৰিছে।

০০০০০০

দক্ষিণ শালমাৰা মানকাচৰত সমজিলা সম উন্নয়নৰ লক্ষ্যৰে মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি হাটশিঙিমাৰীত এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। জিলা আয়ুক্তৰ কাৰ্যালয়ত জিলা প্ৰশাসনৰ বিষয়ববীয়া আৰু বিভিন্ন বিভাগৰ সৈতে বৈঠকত অংশগ্ৰহণ কৰি তেওঁ জিলাখনৰ উন্নয়নৰ সৈতে জড়িত কাম-কাজসমূহ ৰূপায়ণৰ অগ্ৰগতিৰ বুজ লয়। জিলাখনৰ নিম্ন প্ৰাথমিকৰ পৰা মহাবিদ্যালয় পৰ্যায়ৰ শিক্ষানুষ্ঠানসমূহত ছাত্ৰ-ছাত্ৰীৰ পৰিসংখ্যাই শিক্ষা ব্যৱস্থাৰ ইতিবাচক পৰিৱৰ্তনকে সূচাইছে বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। জিলাখনত ৪০ শতাংশ চৰ অঞ্চলত শিক্ষাৰ দিশত ভৌগলিক প্ৰত্যাহ্বানৰ সন্মুখীন হোৱা সত্বেও শিক্ষক-শিক্ষয়িত্ৰী আৰু বিভাগীয় প্ৰয়াসত আধাতে বিদ্যালয় এৰা শিক্ষাৰ্থীৰ হাৰ হ্ৰাস পোৱা বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিছে। সীমান্তৰ তাৎপৰ্যপূৰ্ণ জিলা হিচাপে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত ৰাজ্য চৰকাৰে দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ উন্নয়নৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব আৰোপ কৰিছে বুলি ডাঃ পেগুৱে জানিবলৈ দিয়ে।

***বাইট (ৰণোজ পেগু)***

মন্ত্ৰীগৰাকীয়ে জিলাখন ভ্ৰমণৰ সময়ত আজি জিলা বিজেপি কাৰ্যালয়ত দলীয় কাৰ্যকৰ্তাসকলৰ সৈতে মত-বিনিময় কৰে।

০০০০০০

ৰাজ্য চৰকাৰে যোৱা ২৭ আগষ্টত জম্মুত নিহত হোৱা বি এছ এফৰ জোৱান ৰাজীৱ নুনীয়াৰ পৰিয়াললৈ ৫০ লাখ টকাৰ আৰ্থিক সাহায্য ঘোষণা কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই বিষয়ে প্ৰকাশ কৰা বুলি ৰাজ্যসভাৰ সাংসদ কনাড পুৰকায়স্থ আৰু বিধায়ক নিহাৰ ৰঞ্জন দাসে নিহজ জোৱানগৰাকীৰ পৰিয়ালক সদৰি কৰিছে। উল্লেখযোগ্য যে যোৱা ২৭ আগষ্টত জম্মুৰ ডাৱৰ বিস্ফোৰণৰ সময়ত ৰাছটাৱাৰ ভাগি পৰাত জোৱানজনৰ মৃত্যু হৈছিল। সীমান্ত সুৰক্ষা বাহিনীয়ে পাছত তেওঁক ছহিদ ঘোষণা কৰিছিল।

০০০০০০

কংগ্ৰেছ আৰু ইণ্ডি এলায়েন্স নেতৃত্বই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মাতৃক লক্ষ্য কৰি বিহাৰৰ নিৰ্বাচনী প্ৰচাৰ সভাত কৰা অশালীন মন্তব্যৰ বিৰুদ্ধে আজি ৰাজ্যৰ বিভিন্ন জিলাত বিজেপিৰ কাৰ্যকৰ্তাসকলে প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰে। লখিমপুৰ, ধেমাজি, বজালী, কাছাৰ, গোৱালপাৰা, শোণিতপুৰ, ডিব্ৰুগড় আদি জিলাৰ পৰা আমাৰ সংবাদদাতাই বিজেপি দলৰ সদস্যসকলে জিলা কংগ্ৰেছৰ কাৰ্যালয় ঘেৰাও আৰু ৰাহুল গান্ধীকে ধৰি জ্যেষ্ঠ কংগ্ৰেছ নেতাৰ পুত্তলিকা দাহৰ দৰে প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰাৰ বিষয়ে জানিবলৈ দিছে।

০০০০০০

বাংলাদেশৰ জামাত-ই-ইছলামীৰ সৈতে সম্পৰ্ক ৰক্ষাৰ অভিযোগত আজি ধুবুৰী আৰক্ষীয়ে এজন শিক্ষকক আটক কৰিছে। গোপন সূত্ৰৰ পম খেদি জিলাখনৰ গোলকগঞ্জ আৰক্ষীৰ এটা দলে কোকৰাঝাৰ জিলাৰ কাজিগাঁৰৰ পৰা চুবুৰীয়া ৰাষ্ট্ৰখনৰ জেহাদী সংগঠনটোৰ সৈতে ঘনিষ্ঠ সম্পৰ্ক থকা শিক্ষক হজৰত আলীক আটক কৰে। কেইবাদিন ধৰি পলাতক হৈ থকা শিক্ষকজনক অধিক তথ্যৰ বাবে আৰক্ষীয়ে জেৰা চলাই থকাৰ লগতে সমগ্ৰ ঘটনা সন্দৰ্ভত তদন্ত অব্যাহত ৰাখিছে। ধৃত শিক্ষক আলীয়ে ভাৰত-বাংলাদেশ আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ লক্ষীমাৰী মজলীয়া বিদ্যালয়ত শিক্ষক হিচাপে কৰ্মৰত আছিল। কিছুদিন পূৰ্বে একেখন বিদ্যালয়ৰ শিক্ষক শ্বাহ আলম সৰকাৰক আৰক্ষীয়ে জেহাদী সংগঠনটোৰ সৈতে সম্পৰ্ক ৰখাৰ অভিযোগত গ্ৰেপ্তাৰ কৰিছিল।

০০০০০০

আকাশবাণী গুৱাহাটীৰ প্ৰাক্তন বাতৰি পঢ়োতা গোলাপ শইকীয়াৰ পঞ্চম মৃত্যু বাৰ্ষিকী উপলক্ষে আন আন বছৰৰ দৰে এইবাৰো বাতৰি বিভাগৰ তৰফৰ পৰা এখন অনলাইন বাতৰি পঢ়া প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। অষ্টম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে মুকলি এই প্ৰতিযোগিতাৰ ভাষা হ'ব অসমীয়া আৰু সময় ১ মিনিট নিৰ্ধাৰণ কৰা হৈছে। ইচ্ছুক প্ৰতিযোগীয়ে সাম্প্ৰতিক ঘটনাৱলী সম্পৰ্কত সংবাদ মাধ্যমত প্ৰকাশিত বাতৰি আকাশবাণীৰ বাবে উপযুক্ত ৰূপত মোবাইল ফোন অথবা অডিঅ' ৰেকৰ্ডাৰত ৰেকৰ্ড কৰি এম-পি থ্ৰী ৰূপত ৯৭১৬৬৮০৯৬৯, ৯৮৬৪৩৯৩১৫৫ আৰু ৯৬১৯৬৮৬৬৫৯ নম্বৰত হোৱাট্‌ছএপত পঠিয়াব লাগিব। ২৪ ছেপ্তেম্বৰৰ সন্ধিয়া ৬ বজাৰ ভিতৰত লাভ কৰা হোৱাট্‌ছএপ বাৰ্তাহে প্ৰতিযোগিতাৰ বাবে বিবেচনা কৰা হ'ব। ইয়াৰ বাহিৰে আন কোনো ধৰণে দিয়া বাতৰিৰ বাৰ্তা গ্ৰহণযোগ্য নহ'ব। বিজয়ী প্ৰতিযোগীসকলক পুৰস্কাৰ আৰু প্ৰমাণপত্ৰৰে সন্মানিত কৰা হ'ব আৰু প্ৰথম বিবেচিত তিনিটা বাতৰি আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰিত প্ৰচাৰ কৰা হ'ব।

০০০০০০

অহা ৪ ৰপৰা ৮ নৱেম্বৰলৈ মালয়েছিয়াত হ'বলগীয়া প্ৰথম বিশ্বকাপ ল'ন বল প্ৰতিযোগিতাৰ ভাৰতীয় দলত অসমৰ অৰ্জুন বঁটাৰে সন্মানিত নয়নমণি শইকীয়া আৰু পুতুল সোণোৱালে স্থান লাভ কৰিছে। যোৱা ২৬ আগষ্টৰ পৰা কালিলৈকে নতুন দিল্লীত অনুষ্ঠিত শিবিৰত দুয়োগৰাকী খেলুৱৈয়ে বাছনি লাভ কৰে। অসম ল'ন বল সন্থাই খেলুৱৈ দুগৰাকীক অভিনন্দন জ্ঞাপন কৰি তেওঁলোকৰ সফলতা কামনা কৰিছে।

০০০০০০

সমাপ্ত